# কফন

মূল ঃ প্ৰেমচন্দ
অনুবাদ ঃ অধ্যাপক ৰফিকুল হক

## (১)

পঁজাঘৰৰ দুৱাৰৰ পিছপিনে বাপেক আৰু পুতেক দুয়ো নুমাই যোৱা জুইশলাৰ ওচৰত মনে মনে বহি আছিল আৰু ভিতৰত পুতেকৰ গাভৰু পত্নী বুধিয়া প্ৰসৱ বেদনাত চিৎ খাই পৰি আছিল। কিছু সময়ৰ মূৰে মূৰে তাইৰ মুখৰ পৰা এনে একোটা বুকু কঁপোৱা শব্দ ওলাইছিল যে তাকে শুনি দুয়ো শোকাগ্ৰস্ত হৈ পৰিছিল। জাৰকালিৰ ৰাতি প্ৰকৃতি নীৰৱ। সম্পূৰ্ণ গাঁওখনেই অন্ধকাৰত জাহ গৈছিল।

ঘীচুই ক'লে — নাবাচে। ওৰে দিনটো দৌৰোতে গ'ল, যা, চাই আহগৈ।

মাধৱে বিৰক্ত হৈ ক'লে — 'মৰিবই যদি ওলাইছে তেন্তে সোনকালে কিয় মৰি নাযায়! চাই কি কৰিম?'

'তই বৰ দয়াহীন, নীচ! ওৰে বছৰ যাৰ লগত সুখে-সন্তোষে থাকিলি তাইৰ লগত ইমান নিৰ্দয়তা!'

তাই ধৰফৰ কৰা আৰু হাত-ভৰি আঁচোৰাটো মই চাব নোৱাৰো। ঘীচুৱে এদিন যদি কাম কৰে তেন্তে তিনিদিন আৰাম। মাধৱ আকৌ ইমানেই কামচোৰ আছিল যে যদি আধাঘণ্টাৰ কাম কৰে তেন্তে এঘণ্টা পাৰ কৰে চিলিম টানি। এই কাৰণেই সিহঁত দুয়ো ক'তো কাম নাপাইছিল। ঘৰত এমুঠি খাদ্য মজুত থাকিলে সিহঁতৰ কাম কৰাৰ ইচ্ছা নাথাকে। শপত আছিল। যেতিয়া দুই চাৰিবাৰ লঘোণে থকাৰ

Scanned with CamScanner

অৱস্থা হৈ পৰে তেতিয়া ঘীচুৱে ঘৰৰ ওপৰত উঠি খৰি ভাঙি আৰু মাধৱে বজাৰত বিক্ৰী কৰে। যেতিয়ালৈকে সেই পইচাকেইটা থাকে দুয়ো ইফালে-সিফালে ঘূৰি সময় কটায়। গাঁৱত কামৰ অভাৱ নাছিল। খেতিয়কৰ গাঁও। পৰিশ্ৰমী লোকৰ বাবে আয়ৰ পঞ্চাশটা পথ খোলা আছিল। কিন্তু দুয়োজনকে মানুহে সেই সময়ত কাম কৰিবলৈ মাতিছিল, যেতিয়া দুজন মানুহৰ পৰা এজনৰ কাম পায়ো সন্তোষ কৰাৰ বাহিৰে অন্য কোনো উপায় নাছিল। যদি দুয়ো ভাল মানুহ হ'লহেঁতেন। এইটো সিহঁতৰ প্ৰকৃতি আছিল। সিহঁতৰ জীৱন আছিল বিচিত্ৰ। ঘৰত মাটিৰ দুই চাৰি বাচন-বৰ্তনৰ বাহিৰে কোনো সম্পত্তি নাই। ফটা-ছিটা কাপোৰেৰে ঢাকিছিল নিজৰ নগ্নতা। ঋণৰ বোজাত সিহঁত দোঁ খাই পৰিছিল। গালিও খায়, মাৰো খায় কিন্তু চিন্তা নাই। অৱশ্যে ধাৰ পৰিশোধৰ একেবাৰে আশা নাথাকিলেও মানুহে কিবা নহয় কিবা কাম সিহঁতক দিছিল। মটৰ, আলুৰ খেতিৰ বতৰত অন্য লোকৰ খেতিৰ পৰা তাক উভালি আনে আৰু জুইত সেকি খায় বা দহ পাঁচডালমান কুঁহিয়াৰ আনি তাৰ ৰস চুহি খায়। ঘীচুই এই অনিশ্চিত জীৱিকাৰে ষাঠি বছৰ বয়স কটাই দিছিল আৰু মাধৱো সৎ পুত্ৰৰ দৰে বাপেকৰ পদচিহ্নৰে চলি আছিল। বৰং নাম আৰু উজ্জ্বল কৰি তুলিছিল নিজৰ দৈন্যৰে। দুয়ো জুইশালৰ ওচৰত বহি আলু সেকি আছিল, বহুদিন হ'ল ঘীচুৰ পত্নীৰ দেহান্ত হোৱা। মাধৱৰ বিয়া যোৱা বছৰ হৈছিল। যেতিয়াৰ পৰা এই মহিলাগৰাকী আহিছিল, তাই এই বংশৰ ভেঁটি স্থাপন কৰিছিল আৰু এই দুই অপদাৰ্থৰ তাক পেট পূৰাই পূৰ্ণ কৰিছিল। তাই অহাৰ পিছত দুয়ো আৰু বেছি এলেহুৱা আৰু আলসুৱা হৈ পৰিছিল। সিহঁত কিছু পৰিমাণে অভিমানী আৰু অহংকাৰীও হৈ উঠিছিল। সেই মহিলাগৰাকী আজি প্ৰসৱ বেদনাত মৰিব ওলাইছে। দুই বাপেক-পুতেকে বোধকৰো তাইৰ মৃত্যুৰ বাবেই অপেক্ষা কৰি আছিল, কাৰণ তাই মৰিলে সিহঁতে আৰামেৰে শুব পাৰিলেহেঁতেন। ঘীচুৱে আলুৰ বাকলি গুচাই ক'ব ধৰিলে — যাচোন তাইৰ কি দশা হৈছে চাই আহগৈ। পিশাচিনীৰ প্ৰভাৱো হ'ব পাৰে। তাতো আকৌ ওজাক দিব লাগে এটকা।

মাধৱৰ ভয় লাগিল। সি কোঠাত সোমালে ঘীচুৱে যদি ডাঙৰ ভাগটো শেষ কৰি পেলায়। সি ক'লে — মোৰ যাবলৈ ভয় লাগে।

— ভয়ৰ কি কথা আছে অ'। মই ইয়াতে আছো নহয়। ঘীচুৱে ক'লে।

— তয়ে গৈ চাই নাহ কিয় ?

মোৰ পত্নী যেতিয়া মৰিছিল তেতিয়া মই তাইৰ কাষৰ পৰা তিনিদিন পৰ্যন্ত লৰা নাছিলো। তই যে মোক যাবলৈ কৈছ, তাই মোক লাজ নকৰিবনে? যাৰ কেতিয়াও



মুখে দেখা নাই তাইৰ নগ্ন দেহাটো কেনেকৈ চাম? মোক যদি তাই দেখা পায় তেনেহ'লে খোলাভাৱে তাই হাত-ভৰি মাৰিব নোৱাৰিব।

মই ভাবিছো কেঁচুৱা জন্ম পালে তেতিয়া কি হ'ব। ঘৰত দেখোঁ আদা, গুৰ, তেল , লোণ একোৱেই নাই।

সকলো আহি যাব, ভগৱানে দিব নহয়। মোৰ ন জন ল'ৰা হৈছিল। ঘৰততো একোৱেই নাছিল। কিন্তু ভগৱানে সকলো ঠান-থিত লগালে। কথা পাতি পাতি দুয়োৱে গৰম আলুবোৰ খুঁচৰি খুঁচৰি খাবলৈ ধৰিলে। কালিৰে পৰা সিহঁতে একো খোৱা নাই। আলুকেইটা ঠাণ্ডা হোৱালৈ বাট চাবলৈ সিহঁতৰ ধৈৰ্য নাছিল। গৰম আলুৱে দুয়োৰে জিভাও পুৰিলে। আলুৰ বাকলি গুচোৱাৰ পিছত আলুৰ বাহিৰৰ অংশ বেছি গৰম বুলি অনুমান নহয়। কিন্তু দাঁতৰ তলত লাগি ধৰি জিভা, ডিঙি সব পুৰি পেলায়। তথাপি দুয়ো দৌৰা দৌৰিকৈ আলুবোৰ গিলিব ধৰিলে। অৱশ্যে ইয়াৰ বাবে সিহঁতৰ চকুৰ পৰা চকুপানী নোলোৱাকৈ থকা নাছিল।

ঘীচুৰ সেই সময়তে ঠাকুৰহঁতৰ বিয়াৰ কথা মনত পৰিল। সেয়া বিশ বছৰ আগৰ কথা। ঘীচুৰ জীৱনৰ ই এটা স্মৰণীয় দিন। ঘীচুই ক'বলৈ ধৰিলে — সেই ভোজৰ কথা পাহৰিব নোৱাৰি অ'। কইনা পক্ষই সকলোকে পেট পূৰাই পুৰী খুৱাইছিল। তাকো ভাজিছিল খাঁটি ঘিউত। চাত্নি, ৰাইতা, তিনিবিধ শুকান শাক, এখন ৰসাল তৰকাৰী আদিতো আছিলেই। মানুহক সুখি খুৱালে। নালাগে বুলি ক'লেও পাতত খোৱা বস্তু দি থৈ গৈছিল। খোৱাৰ পিছত পাণ, ইলাচিও দিছিল। কিন্তু মোৰ পাণ খোৱাৰ ততেই নাছিল। কোনোমতে উঠি গৈ কম্বলখন লৈ শুই পৰিছিলো। এনেকুৱাই দয়াৰ সাগৰ আছিল ঠাকুৰ।

মাধৱে এই পদাৰ্থবোৰৰ মনে মনে জুতি লৈ ক'লে — কোনেনো এতিয়া আমাক এনেকৈ ভোজ -ভাত খুৱাব।

এতিয়া কোনে খুৱাব? সেই যুগেই বেলেগ আছিল। এতিয়া সকলো মিতাচাৰী। ক্ৰিয়া -কৰ্মত খৰচ কৰিবলৈ সিহঁত হৈ পৰে মিতব্যয়ী।

— তই বিশখনমান পুৰী খাইছিলি কিজানি।

— বিশখনতকৈ বেছি খাইছিলো অ'।

— মই হ'লে পঞ্চাশখনমান খালোহেঁতেন।

— ময়ো পঞ্চাশৰ কম খোৱা নাচিলো নিশ্চয়। বেছি হৃষ্ট-পুষ্ট আছিলো নহয়। তই দেখোন মোৰ আধাও নহৱ।

আলু খাই দুয়ো পানী খাব ধৰিলে আৰু তাৰ পিছত গাত চুৰিয়া লৈ জুইশালৰ

Scanned with CamScanner

ওচৰতে শুই থাকিল। যেন দুটা ডাঙৰ অজগৰহে কুণ্ডলী পকাই পৰি আছে।

ইপিনে কোঠাত বুধিয়াই আটাহ্ পাৰিয়েই আছিল।

(২)

ৰাতিপুৱা মাধৱে কোঠালৈ গৈ দেখে যে তাৰ পত্নীৰ দেহ ঠাণ্ডা হৈ পৰিছে। মুখৰ ওপৰত মাখিয়ে ভেনভেনাব লাগিছে। চকুযোৰ ওপৰৰ পিনে স্থিৰ হৈ ৰৈ আছে। ধুলিৰে সম্পূৰ্ণ দেহ লুতুৰি-পুতুৰি। পেটত থকা কেঁচুৱাটোও মৰিছে। মাধৱ দৌৰি আহি ঘীচুৰ কাষ পালেহি। দুয়ো হায় হায় কৈ আৰু বুকুত চপৰিয়াই কান্দিব ধৰিলে। ওচৰ-চুবুৰীয়া ৰাইজে কন্দা কটা শুনি দৌৰি আহিল আৰু মৰ্যাদা অনুসাৰে এই দুই দুৰ্ভগীয়াক বুজনি দিব ধৰিলে।

কিন্তু বেছি কন্দা-কটাৰ সময় নাছিল। কফন আৰু খৰিৰ চিন্তা কৰিব লাগিছিল। ইপিনে ঘৰত এটা পইচাও নাই। বাপেক পুতেকে কান্দি কান্দি গাঁৱৰ জমিদাৰৰ ওচৰলৈ গ'ল। তেওঁৰ এই দুয়োজনক দেখিলেই খং উঠিছিল। চুৰি কৰাৰ বাবে আৰু কথা দি কাম কৰিবলৈ নহাৰ বাবে কে'বাবাৰো তেওঁ ইহঁতক মাৰ সোধাইছিল। জমিদাৰে সুধিলে — 'কি হ'ল ঘীচু, কান্দিছ কিয়? এতিয়া দেখোন তোক দেখাই নাপাও'! বোধকৰো এই গাঁৱত থকাৰ ইচ্ছা নাই।'

ঘীচুৱে মাটিত মূৰটো লগাই চকুলো টুকি ক'ব ধৰিলে — 'ডাঙৰীয়া! ডাঙৰ বিপদত পৰি আপোনাৰ ওচৰলৈ আহিলো। মাধৱৰ পত্নীৰ যোৱা ৰাতি মৃত্যু হৈছে। ওৰে ৰাতিটো যন্ত্ৰণাত কটাই অৱশেষত মৰিল। আমি দুয়ো তাইৰ মূৰৰ শিতানক বহি আছিলো। ঔষধ পাতিৰ যিখিনি পাৰো ব্যৱস্থা কৰিলো। কিন্তু তাই আমাক এৰি গুচি গ'ল। এতিয়া আমাক ৰুটি-পানী দিওঁতা কোনো নাই। আমি আপোনাৰ গোলাম! এতিয়া আপোনাৰ সহায়ৰ বাহিৰে তাইৰ ক্ৰিয়া-কাম কেনেকৈ কৰো। আমাৰ হাতত যিখিনি আছিল, সকলোখিনি ঔষধ-পাতিতে খৰচ হ'ল। ডাঙৰীয়াই দয়া কৰি যদি সহায় কৰে তেনেহ'লে তাইক সৎকাৰ কৰিব পৰা যাব। আপোনাৰ বাহিৰে কাৰ দুৱাৰ-ডলিত যাম?'

জমিদাৰ ডাঙৰীয়া দয়ালু। কিন্তু ঘীচুৰ ওপৰত দয়া কৰা মানে ক'লা কম্বলত ৰং দিয়া। কিন্তু সান্ত্বনাৰ শব্দ মুখৰ পৰা নুলিয়ালে। তাৰ ফালে নাচালেই। যেন মূৰৰ বোজা নাথাকে। তেওঁৰ স্বাভাৱিকতে খং উঠিছিল যদিও এই সময় খং কৰা সময় নহয়। জমিদাৰে দুই টকা সহায় কৰাত আন আন লোকেও সহায় আগবঢ়ালে।

এঘণ্টাৰ ভিতৰতে পাঁচ টকা জমা হ'ল আৰু সেইখিনি টকাৰে দুয়ো শৱ-ঢাকনী কাপোৰ কিনিবলৈ বজাৰলৈ গ'ল।



(৩)

বজাৰ পোৱাত ঘীচুৱে ক'লে — 'খৰি দেখোন পোৱা গৈছেই নহয় মাধৱ?'

মাধৱে ক'লে — 'হয় খৰি বহুত আছে, এতিয়া শ-ঢাকনী কাপোৰহে লাগে।'

'তেনেহ'লে ব'ল এখন পাতল ধৰণৰ কাপোৰকে লৈ যাও বাৰু। পিছে এটা কথা নহয়, মৰাশ নিওঁতে নিওঁতে ৰাতিয়ে হ'ব। ৰাতি কোনেনো শ-ঢাকনী কাপোৰখন দেখিব'?

'কেনেকুৱা বেয়া নিয়ম এইবোৰ। জীয়াই থকাত শৰীৰ ঢাকিবলৈ মলিন কটাকানিও পোৱা নাযায় আৰু মৰাৰ পিছত নতুন কাপোৰ লাগে।'

'কাপোৰখন দেখো শৱৰ লগতেই জ্বলি যাব।'

'এইখিনি দৰকাৰ। এই পাঁচ টকা আগতেই পোৱা হ'লে কিছু ঔষধ-পাতি আনিব পাৰিলোহেঁতেন।'

দুয়ো ইজনে-সিজনৰ লগত কথা পাতি বজাৰত ইফালে সিফালে ঘূৰি-পাকি আছিল। কেতিয়াবা ইখনৰ পাছত সিখন দোকানলৈ গ'ল। নানা ধৰণৰ কাপোৰ চালে, কিন্তু একোৱেই পছন্দ নহ'ল। গধূলিও হৈ আহিল। তেতিয়া দৈৱী প্ৰেৰণাৰ দ্বাৰা দুয়ো ক'ব নোৱাৰাকৈ মদৰ দোকান এখনৰ ওচৰ পালে। তাত কিছু সময় থিয় দি থাকি লাহে লহে দোকানীৰ ওচৰলৈ আহি ক'লে — 'মহাজন বাবু, আমাক এক বটল দে'

ইয়াৰ পাছত কিছু 'চৌখৌনা' আহিল,ভজা মাছ আহিল। দুয়ো বাৰাণ্ডাত বহি শান্তিৰে তাক এঢোক এঢোককৈ গিলিব ধৰিলে।

কেইবা বটল একেলেঠাৰি খোৱাৰ পিছত দুয়ো মাতাল হৈ পৰিল। ঘীচুৱে ক'লে — 'কাপোৰ কিনিলে খোৱা কি হ'ব? শেষততো পুৰিয়েই যাব। মাধৱে আকাশৰ ফালে চাই ক'লে — 'এইবোৰেই সংসাৰৰ নিয়ম।, নহ'লেনো ব্ৰাহ্মণক কিয় হাজাৰ টকা দিয়ে। কোনে দেখিছে পৰলোক আছে নে নাই?'

'ডাঙৰ মানুহৰ ওচৰত ধন আছে। ইচ্ছা হৈছে এটাই দিয়ক। আমাৰ উৰাবলৈ ধননো ক'ত আছে?'

'কিন্তু ৰাইজক কি উত্তৰ দিবি? সিহঁতে কাপোৰৰ কথা নুসুধিবনে?'

ঘীচুৱে হাঁহিলে — 'আৰে কৈ দিম যে কঁকালত বান্ধি লোৱা টকাখিনি হেৰাল। বহুত বিচাৰিলো, কিন্তু নাপালো। বিশ্বাস নহ'ব? সিহঁতেই আকৌ টকা দিব চাবি।'

মাধৱে হাঁহিলে । আহিব ধৰা সৌভাগ্যৰ কথা চিন্তা কৰি সি ক'লে — 'বৰ ভাল আছিল অ' বেচেৰী। মৰিও আমাক খুৱালে।'

আধা বটলতকৈ বেছি উবি গ'ল। ঘীচুৱে দুইসেৰ পুৰী অনালে। চাটনী, আচাৰ, কলিজা অনালে। মদিৰালয়ৰ কাষতেই দোকান আছিল। মাধৱে দুখন বেগেৰে পাছত সকলো বস্তু লৈ আহিল। পূৰাপূৰি ডেৰ টকা আৰু খৰচ হ'ল। অলপ পইচাহে বাচিল।

দুয়ো আনন্দ মনেৰে পুৰী খোৱাত লাগিল হাবিত কোনো বাঘে চিকাৰ খোৱাৰ দৰে। উত্তৰ দিয়াৰ ভয় নাই, নাই বদনামৰ চিন্তা। এই ভাবনাবোৰক সিহঁতেই বহুত আগতেই জয় কৰিছিল। ঘীচুৱে দাৰ্শনিকভাৱে ক'ব ধৰিলে — 'আমাৰ আত্মা প্ৰসন্ন হৈছে।'

মাধৱে শ্ৰদ্ধাৰে শিৰ নত কৰি ক'লে — ভগবান তুমি তাইক বৈকুণ্ঠলৈ লৈ যাবা। আমি দুয়ো হৃদয়ৰ পৰা আশীৰ্বাদ কৰিছো। আজি তাইৰ জহত যি খালো, এনে খাদ্য জীৱনত খোৱা নাছিলো।

অলপ পিছত মাধৱৰ মনত এটি শঙ্কা জাগিল। সি ক'লে — 'আমিও এদিন তালৈ যাবই লাগিব নহয়নে পিতাই?'

ঘীচুৱে এই সৰল প্ৰশ্নৰ কোনো উত্তৰ নিদিলে। পৰলোকৰ কথা চিন্তা কৰি খোৱাৰ আনন্দ মাটি কৰাৰ ইচ্ছা তাৰ নহ'ল।

— তাত যদি তাই মোক সোধে — 'তই মোক কাপোৰখন কিয় দিয়া নাছিলি?' তেতিয়া মই কি ক'ম?

— ক'বি তোৰ মূৰটো।

— তাই সুধিবই নিশ্চয়।

— তই কেনেকৈ জানিলি তাই শৱ-ঢাকনী কাপোৰ নেপাব বুলি। তই মোক গাধ বুলি ভাবিছ নেকি? এই যাঠি বছৰে মই ঘোঁৰাৰ ঘাঁহ কাটি কটালো নেকি? তাই শৱ ঢাকনী কাপোৰ পাব আৰু ইয়াতকৈ বহুত সুন্দৰ কাপোৰ পাব। মাধৱৰ বিশ্বাস নহ'ল। ক'লে — কোনে দিব। টকাখিনি দেখোঁ শেষেই কৰিলো। বুধিয়াই মোকহে সুধিব। তাৰ কপালত মইহে সেন্দূৰ লগাই দিছিলো। ঘীচুই খঙেৰে ক'লে — মই কৈছো নহয় তাই কাপোৰ পাবই। তই জেদত ধৰিছ কিয়?

কোনে দিব নকৱ কিয়?

সেইবোৰে দিব যিবোৰে ইতিমধ্যে দিছে। কিন্তু এইবাৰৰ টকাখিনি আমাৰ হাতত নপৰিব।

যিমানে অন্ধকাৰ বাঢ়ি গৈছিল তৰাবোৰৰ পোহৰ তিমানে উজ্জ্বল হৈছিল। মধুশালাৰ চমকনিও বৃদ্ধি পাইছিল। কোনোৱে গাইছিল, কোনোৱে ধেমালি কৰিছিল, কোনোৱে নিজৰ সঙ্গীৰ লগত আলিংগন কৰিছিল, কোনোৱে নিজৰ বন্ধুৰ মুখত



মাটিৰ মলা লগাই দিছিল। বতাহে বতাহে যেন মদৰ নিচা উৰি ফুৰিছিল। মদিৰাতকৈ যেন সেই বতাহে সিহঁতক উত্ৰাৱল কৰি তুলিছিল। দুই বাপেক পুতেকে বটলবোৰ শুহি শুহি খাবলৈ ধৰিছিল। সকলোৰে দৃষ্টি সিহঁতৰ ওপৰত পৰিছিল।

মাধৱে পুৰীৰ পাতখন উঠাই লৈ গৈ ভিক্ষাৰীক দিলে। সি তালৈ লোভাতুৰ দৃষ্টিৰে চাই আছিল। এজনক দিয়াৰ আনন্দ আৰু গৌৰৱৰ উল্লাস সি প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে।

ঘীচুৱে ক'লে — লৈ যা আৰু খাই আমাক আশীৰ্বাদ দে। ই যাৰ উপাৰ্জন তাইতো মৰি গ'ল। তোৰ আশীৰ্বাদে তাইক ওপৰলৈ নিব।

মাধৱে ক'বলৈ ধৰিলে — তাই স্বৰ্গলৈ যাব অ' পিতাই আৰু তাই স্বৰ্গৰ ৰাণী হ'ব।

ঘীচু বহাৰ পৰা উঠিল আৰু উল্লাসৰ ঢৌবোৰৰ মাজত সাঁতুৰিব ধৰিলে।

এৰা অ' মাধৱ তাই স্বৰ্গলৈ যাবই। কাকো তাই কষ্ট দিয়া নাই। তাই মৰি আমাক বচাইহে গ'ল। এই শকত-আৱত মানুহবোৰেই যায় তাই নাযাবনে? যিসকলে দুখীয়াক দুই হাতেৰে লুট কৰে আৰু গঙ্গাৰ পানীত গা ধুই শৰীৰ পৱিত্ৰ কৰে সিহঁতো দেখোঁ স্বৰ্গলৈ যায়।

শ্ৰদ্ধালু ভাবৰ শীঘ্ৰে পৰিবৰ্তন ঘটিল। অস্থিৰতাই নিচাৰ বিশেষত্ব। দুয়ো ক্ৰমাগতভাৱে দুখ আৰু নিৰাশাত পতিত হ'ল।

মাধৱে ক'লে — কিন্তু পিতাই তাই জীৱনত বহুত দুখ ভুগিলে। বহুত যাতনা সহি তাই মৰিব লগা হ'ল।

কথাখিনি কৈ চকুত দুহাত দি কান্দিব ধৰিলে।

ঘীচুৱে তাক বুজাব ধৰিলে — আমি আনন্দহে কৰিব লাগে। তাই মায়াজালৰ পৰা মুক্ত হ'ল, দুখ-যন্ত্ৰণাৰ পৰা মুক্ত হ'ল। ভাগ্যৱতী নহ'লে ইমান সোনকালে মায়া-মোহৰ বন্ধন ছিঙিব পাৰেনে?

এইবাৰ দুয়ো থিয় হৈ কান্দিব ধৰিলে।

ঠগিলি কিয় নয়না, ঠগিলি কিয়?

নিচা খাই থকা মানুহবোৰে সিহঁতলৈ দৃষ্টি নিক্ষেপ কৰিলে। সিহঁতে দেখিলে এইবাৰ সিহঁতে কান্দিব এৰি নাচিব ধৰিলে। তাৰ পিছত অভিনয় আৰু অৱশেষত দুয়ো নিচাৰ ঘোৰত মাটিত ঢলি পৰিল।